# মৃদুল কুমাৰ গগৈৰ কবিতা

Issue: Vol. IV, No. 4, February-April, 2026

**দুচকুৰে**

টপ
টপ

টপ

সময় ৰাতিৰ সৰি পৰে অতিবাহিত বিদ্ৰোহ

অচিন পতংগই
অনিদ্ৰাত থাই পেলোৱা দুয়োটা চকু

দেশ মাটিৰ
গানৰ
সিপাৰে

ৰৈ থাকে
খাল-ডোংবোৰ
ৰাষ্ট্ৰীয়
সীমান্ততো

কণা
বিধি, গতিৰে উৰি আহি চাট
মাৰি ধৰে

অজানিতে
জ্বলি উঠে আঙঠা হৈ
একে থৰে চাই

দুচকুত
সাঙী

জাক পাতি
নামি আহিছে

দৌৰিছে
থহিছে
ভাঙি
পৰিছে

উতপ্ত হৈ পৰিছে শিলবোৰ যুদ্ধবাজ
সৈনিক

গোগ্ৰাসে গিলি ভোক
বমি
ভুকভুকনিৰে ভোক খেদিবলে
নেজ জোকাৰি, চেলেকি চেলেকি
গালি
গালি পাৰিয়েই আছোঁ
গালি পাৰিয়েই আছোঁ